# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-07-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**:::::::::::::::::::::::::::::::::**

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ বাতৰি পোৱা গৈছে। কামৰূপ জিলাত এই ৰোগত আক্ৰান্ত হৈ চাৰিগৰাকী লোকে প্ৰাণ হেৰুৱাইছে আৰু চাৰিজন লোক চিকিৎসাধীন হৈ আছে। কামৰূপ জিলা মেলেৰিয়া বিভাগে এই ৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন স্থানত সজাগতা শিবিৰৰ আয়োজন কৰিছে। বিভাগে লগতে প্ৰায় ২০ হাজাৰ ঔষধযুক্ত আঁঠুৱা বিতৰণ কৰিছে আৰু জিলাখনৰ অধীনৰ বকো, ছয়গাঁও, গৰৈমাৰী, ৰঙিয়া, বাইহাটা চাৰিআলিত ফগিং কৰাৰ ব্যৱস্থা কৰিছে।

যোৰহাট জিলাত জাপানীজ এনকেফেলাইটিছত এজন ১৬ বছৰীয়া কিশোৰৰ মৃত্যু হৈছে। বৰ্তমানলৈকে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এনকেফেলাইটিছত আক্ৰান্ত হৈ দুজন লোকৰ মৃত্যু হোৱা বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। বৰ্তমান এটি দুবছৰীয়া শিশুসহ কেইবাজনো সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে।

জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মাজুলীত এটি শিশুৰ মৃত্যু হৈছে। জিলাখনত এইপৰ্যন্ত ছজন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইপিনে মাজুলীৰ ১১ খন গাঁৱত জাপানীজ এনকেফেলাইটিছৰ লগতে ডেংগি আৰু মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত জিলা স্বাস্থ্য বিভাগে ১২ হাজাৰৰো অধিক লোকৰ তেজৰ নমুনা সংগ্ৰহ কৰিছে।

শিৱসাগৰ জিলাত যোৱা এপ্ৰিলৰ পৰা বৰ্তমানলৈকে শিশুসহ ১০জন লোক জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত সাতজন ৰোগী আৰোগ্য হোৱাৰ পাছত ঘৰলৈ যাবলৈ দিয়া হৈছে। বাকী তিনিজনৰ ভিতৰত এটি শিশুসহ দুজন লোক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত আৰু এজন শিৱসাগৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬ বৰ্ষত হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অ' এম আৰ উত্তৰবহী ব্যৱহাৰৰ কোনো তাৎক্ষণিক পৰিকল্পনা নাই বুলি স্পষ্ট কৰি দিছে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত অ' এম আৰ উত্তৰবহী ব্যৱহাৰ সন্দৰ্ভত বিভিন্ন পক্ষৰ পৰা অহা প্ৰশ্নলৈ চাই পৰিষদৰ সচিবে আজি এখন অধিসূচনাযোগে এই কথা স্পষ্ট কৰি দিয়ে। অৱশ্যে পৰিষদে ছাত্ৰ-ছাত্ৰীৰ দক্ষতাভিত্তিক শিক্ষণ আৰু মূল্যায়ন সন্দৰ্ভত প্ৰচেষ্টা অব্যাহত থাকিব বুলি ঘোষণা কৰে।

oooo

অসম আৰক্ষীৰ মাদক দ্ৰব্য বিৰোধী অভিযানৰ অধীনত কাৰ্বি আংলং আৰক্ষীয়ে চিক্স মাইলত অভিযান চলাই ৪৩ কিলোগ্ৰামৰো অধিক মাদক দ্ৰব্য জব্দ কৰে। মাদক দ্ৰব্যখিনিৰ বজাৰ মূল্য ২ কোটি ৫ লাখ বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে এই সংক্ৰান্তত ৩ জন লোকক আটক কৰিছে।

০০০০

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈয়ে আজি ডিফু আৱৰ্ত ভৱনত অঞ্চলটোৰ সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰে। বৰ্তমানৰ চৰকাৰখনৰ সমালোচনা কৰি শ্ৰীগগৈয়ে কংগ্ৰেছৰ শাসনকালত ষষ্ঠ অনুসূচীৰ অধীনত গঠন কৰা কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ শাসন ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণৰ পৰিৱৰ্তে বিজেপি চৰকাৰে সকলোবোৰ ক্ষমতা নিজৰ হাতত ৰাখিছে বুলি অভিযোগ কৰে। দলীয় আন্তঃগাথনি উন্নয়নৰ বুজ লোৱাৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে কাৰ্বি আংলঙলৈ যোৱা প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে আজি ডিফুত বিভিন্ন সামাজিক সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০

চি আৰ পি এফৰ এটা দলে আজি গোলাঘাট জিলাৰ মেৰাপানী সীমান্তত অভিযান চলাই বুজন পৰিমাণৰ বিদেশী চিগাৰেট জব্দ কৰে। চিগাৰেটখিনি নাগালেণ্ডৰ পৰা এখন ট্ৰাকযোগে গোলাঘাটলৈ সৰবৰাহ কৰা হৈছিল। চিগাৰেটখিনিৰ বজাৰ মূল্য ২০ লাখ টকাৰো অধিক হ'ব বুলি অনুমান কৰা হৈছে। চি আৰ পি এফে ঘটনা সংক্ৰান্তত ট্ৰাকখনৰ চালক বাবাতু গগৈক আটক কৰিছে। চালকজনক ইতিমধ্যে মেৰাপানী আৰক্ষীক গতাই দিয়া হৈছে।

০০০০

পশ্চিম কাৰ্বি আংলঙৰ খেৰণি আৰক্ষী থানাৰ সভাকক্ষত আজি জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আজি এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ সহকাৰী আয়ুক্ত তথা জিলা শিশু সুৰক্ষা বিষয়াৰ সঞ্চালনাত আয়োজিত এই সভাত বাল্য বিবাহ, শিশু শ্ৰমিক, শিশু সৰবৰাহ আৰু নিচাজাতীয় দ্ৰব্য সেৱন বিষয়ত জনসাধাৰণক সজাগ কৰাৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত খেৰণি অঞ্চলৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০

ৰাজহুৱা খণ্ডৰ মহাৰত্ন কোম্পানী আৰ ই চি লিমিটেডে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ উন্নয়নৰ বাবে কোম্পানীৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত ৫ কোটি ৩০ লাখ টকা অনুদান আগবঢ়াইছে। এই অনুদানৰ ধনৰাশিৰে ১২০টাৰো অধিক অবৈধ চিকাৰ বিৰোধী শিবিৰত সৌৰ শক্তি আৰু খোৱাপানীৰ সুবিধা উন্নত কৰা হ'ব। ইয়াৰ ফলত বন বিভাগৰ কৰ্মচাৰীসকলৰ বাবে কৰ্মৰ পৰিবেশ অধিক অনুকূল হৈ উঠিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙাৰ সুৰক্ষা আৰু সংৰক্ষণৰ দিশত আগবঢ়োৱা এই অৱদানৰ বাবে কোম্পানীটোৰ শলাগ লৈছে।

০০০০

সমাপ্ত